**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-02-2026
**Time :** 17-15 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। চলিত বৰ্ষৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ আজি ৰাজ্যত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ।

২। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে আজি নলবাৰী, বজালী আৰু বৰপেটা জিলাৰ সম্ভাব্য উদ্যোগীক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ।

৩। আজি ২৪ সংখ্যক বড়োলেণ্ড দিৱস পালন। কোকৰাঝাৰত অনুষ্ঠিত মূল কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ।

*আৰু*

৪। আজিৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ।

ooooo

এইবছৰৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ আজি অসমৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। বিশেষ সংশোধিত চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ২ কোটি ৪৯ লাখ ৯৮ হাজাৰ ১৩৯। এই অনুসৰি ৰাজ্যত ভোটদাতাৰ সংখ্যা খচৰা ভোটাৰ তালিকাতকৈ ২ লাখ ৪৩ হাজাৰ ৪৮৫ হ্ৰাস পাইছে। চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ১ কোটি ২৪ লাখ ৮২ হাজাৰ ২১৩ গৰাকী পুৰুষ ভোটদাতা আছে। ৰাজ্যখনত মহিলা ভোটদাতাৰ সংখ্যা হৈছে ১ কোটি ২৪ লাখ ৭৫ হাজাৰ ৫৮৩। ইয়াৰ উপৰি ৰাজ্যখনত ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে।

উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুযায়ী যোৱা ২২ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ সমগ্ৰ ৰাজ্যতে ভোটাৰ তালিকাৰ বিশেষ সংশোধনী সম্পন্ন কৰা হয় আৰু ২২ ডিচেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। ২৭ ডিচেম্বৰৰ পৰা ২২ জানুৱাৰীৰ ভিতৰত ভোটাৰ তালিকা সম্পৰ্কীয় দাবী আৰু আপত্তিসমূহ গ্ৰহণ কৰা হয়।

ৰাজ্যিক নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা অনুযায়ী আজি প্ৰকাশিত চূড়ান্ত ভোটাৰ তালিকা সম্পৰ্কীয় যিকোনো দাবী আৰু আপত্তি অহা ১৫ দিনৰ ভিতৰত সংশ্লিষ্ট জিলা দণ্ডাধীশৰ ওচৰত দাখিল কৰিব পৰা যাব। এই প্ৰক্ৰিয়াত সন্তুষ্ট নহ'লে যিকোনো আবেদন ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত দাখিল কৰিব পৰা যাব। আজি ৰাজ্যখনৰ সকলো জিলা আয়ুক্তই সংশ্লিষ্ট জিলাসমূহৰ বাবে চূড়ান্ত ভোটাৰ তালিকা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে বৰাক উপত্যকাৰ জিলাকেইখনত ভোটদাতাৰ সংখ্যা লক্ষণীয়ভাৱে হ্ৰাস পাইছে। গুৱাহাটী লোকসভা সমষ্টিৰ অন্তৰ্গত দিছপুৰ সমষ্টিত ভোটদাতাৰ সংখ্যা ২ দশমিক ৭ শতাংশ, ডিমৰীয়া সমষ্টিত ১ দশমিক ৯ শতাংশ, নিউ গুৱাহাটী সমষ্টিত ২ দশমিক ৩-৯

শতাংশ, মধ্য গুৱাহাটী সমষ্টিত ৩ দশমিক ৩ শতাংশ আৰু জালুকবাৰী সমষ্টিত ভোটদাতাৰ সংখ্যা ২ দশমিক ০-৯ শতাংশ হ্ৰাস পাইছে।

০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে আজি নলবাৰীৰ জিলা ক্ৰীড়া ষ্টেডিয়াম চৌহদত এখন সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বজালী, বৰপেটা আৰু নলবাৰী জিলাৰ সম্ভাব্য উদ্যোগীক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰে। বজালী জিলাৰ এহেজাৰ ২০৬ গৰাকী, বৰপেটাৰ দুহেজাৰ ৩৬২ গৰাকী আৰু নলবাৰীৰ দুহেজাৰ ২২০ গৰাকীকে ধৰি মুঠ ৫ হাজাৰ ৭৮৮ গৰাকী সম্ভাব্য উদ্যোগীক এই ধন প্ৰদান কৰা হয়। সাধাৰণ শাখাৰ প্ৰতিগৰাকী হিতাধিকাৰীক ২ লাখ টকা আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ৫ লাখ টকাকৈ সাহায্য আগবঢ়োৱা হয়। এই অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, চন্দ্ৰমোহন পাটোৱাৰী আৰু জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে।

০০০০০

আজি ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদযাপন কৰা হৈছে।  এই উপলক্ষে কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীণ ফীল্ডত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে বড়োলেণ্ড শান্তি, সমৃদ্ধি আৰু বিকাশৰ কেন্দ্ৰলৈ পৰিগণিত হৈছে বুলি উল্লেখ কৰে। ২০০৩ চনত প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বত বিটিচি চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে অঞ্চলটোত উন্নয়ন আৰু বিকাশৰ বীজ ৰোপণ কৰা হৈছিল বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সম্প্ৰতি বড়োলেণ্ডবাসী নিজৰ সমস্যা সমাধান কৰিব পৰাকৈ স্বাৱলম্বী হৈ উঠিছে বুলি তেওঁ উল্লেখ কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

অনুষ্ঠানত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা উপস্থিত থাকে। তামুলপুৰ জিলাতো আজি বি পি এফ দলৰ উদ্যোগত জিলাখনৰ থাইগিৰখাৰীৰ হিৰিম্বা হালামাৰি বাথৌ ফিল্ডত বড়োলেণ্ড দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে বড়োলেণ্ডৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আৰু বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰা হয়।  আজিৰ অনুষ্ঠানত কেইবাটাও জাতি-জনগোষ্ঠীৰ স্বকীয় পৰম্পৰা আৰু সংস্কৃতি প্ৰদৰ্শন কৰা হয়। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি বি পি এফে ৫ গেৰাণ্টি আঁচনি মুকলি কৰে

চিৰাং জিলাৰ কাজলগাঁৱৰ আলাইখুংগ্ৰী পথাৰত আৰু বিজনী  ক্ৰীড়া সন্থাৰ খেলপথাৰত আজি বি টি চিৰ প্ৰশাসনৰ উদ্যোগত ২৪ সংখ্যক বি টি চি চুক্তি দিৱস তথা বড়োলেণ্ড দিৱস উদযাপন কৰা হয়। কাজলগাঁৱৰ বৰ্ণাঢ্য অনুষ্ঠানত বি টি চিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্ম মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

ওদালগুৰি জিলাতো আজি ২৪ সংখ্যক বিটিচি চুক্তি দিৱস পালন কৰা হয়। এই উপলক্ষে জিলাখনৰ নলবাৰী খেলপথাৰ আৰু ভেৰগাওঁ মহকুমাধিপতি কাৰ্যালয়ৰ বাকৰিত কাৰ্যসূচী অনুষ্ঠিত হয়। দিৱসৰ সৈতে সংগতি ৰাখি লালকুলত আধুনিক শীতাল ভাণ্ডাৰৰ সুবিধা থকা খাদ্য প্ৰসংস্কৰণ উদ্যোগ আৰু হৰিশিঙাত পলিটেকনিক আৰু বৃত্তিমূলক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰা হয়। ` অনুষ্ঠানত মন্ত্ৰী চৰণ বড়ো, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰীৰ উপৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

বড়োলেণ্ড দিৱসৰ পৰিপ্ৰেক্ষিতত আজি বিটিচিত স্থানীয় বন্ধ পালন কৰা হয়। আজি বিটিচিৰ সকলোবোৰ চৰকাৰী কাৰ্যালয়ৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ বন্ধ ৰখা হয়।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত  আজিৰ পৰা ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰত  হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হৈছে। ইয়াৰ ভিতৰত  ১ লাখ ৯০ হাজাৰ দুশ ৪৩গৰাকী জনছাত্ৰ আৰু  দুই লাখ ৪৮ হেজাৰ ৩২২গৰাকী  ছাত্ৰী সামৰিমুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ  হৈছে।পুৱা ৯ বজাৰ পৰা প্ৰথম দিনৰ পৰীক্ষা অনুষ্ঠিত হৈছে । হাইস্কুল শিক্ষান্ত পৰীক্ষা , ব্যৱহাৰিক পৰীক্ষা ইতিমধ্যে সমাপ্ত হৈছে। আজি আৰম্ভ হোৱা পৰীক্ষা অহা ২৭ ফেব্ৰুৱাৰীত অন্ত পৰিব। এইবাৰ প্ৰশ্নকাকতৰ ক্ষেত্ৰত পৰিষদে কিছুমান নতুন ব্যৱস্থা গ্ৰহণ কৰিছে। বিগত বৰ্ষবোৰৰ দৰে কেইবাটাও ভাষাত পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হব পাৰিব যদিও একেখন প্ৰশ্নকাকতৰ বিপৰীতে এইবাৰ অসমীয়া, ইংৰাজী, বড়ো আৰু হিন্দী মাধ্যমৰ প্ৰশ্নকাকত পৃথককৈ ছপা কৰা হৈছে। আজি বিভিন্ন কেন্দ্ৰত নিযাৰিকৈ পৰীক্ষা অনুষ্ঠিত হয় যদিও দৰং জিলাৰ চিপাঝাৰৰ গৰুখুটিৰ এটা কেন্দ্ৰত প্ৰশ্নকাকত পলমকৈ আহি পোৱাৰ বাবে পৰীক্ষা এঘণ্টা পলমকৈ অনুষ্ঠিত কৰিবলগীয়া হয়। এই বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰে।

বাইট

ইপিনে কাইলৈৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত কলা , বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী শাখাৰ পৰীক্ষা অনুষ্ঠিত হব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আটাইকেইটা শাখা মিলি মুঠ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ  'ব। ৰাজ্যৰ ৮২১টা পৰীক্ষা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী পৰীক্ষাৰ্থী, বিজ্ঞান শাখাত মুঠ ৬১ হাজাৰ ৫৬৮ পৰীক্ষাৰ্থী আৰু বাণিজ্য শাখাত মুঠ ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। একেদৰে  বৃত্তিমুখী শাখাত এহেজাৰ ৫০৫  গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱৰ্তীণ হ'ব। পৰীক্ষা সমাপ্ত হোৱাৰ পিছতে মুঠ ৪৮ টা পৰীক্ষাৰ মূল্যায়ন মণ্ডলত উত্তৰ বহীসমূহ মূল্যায়ন কৰা হ'ব বুলি ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে জানিবলৈ দিছে।

এই পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাজহুৱা অনুষ্ঠানসমূহ  কমাইক জাতীয় উচ্চ প্ৰাবল্যৰ শব্দ যন্ত্ৰ ব্যৱহাৰ নকৰাকৈ অনুষ্ঠান আয়োজন কৰি পৰীক্ষাৰ্থীসকলক সহায় কৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সমূহ পৰীক্ষাৰ্থীলৈ শুভেচ্ছা জনাইছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৪ ফেব্ৰুৱাৰী শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ শ্ৰীলংকাৰ কলম্বো কাৰ্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড০ অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ঃঃ সমাপ্ত ঃঃ